**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-04-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ, শোণিতপুৰ আৰু নগাঁৱত প্ৰচাৰ সভাত অংশ লয়। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত দলটোৱে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰি যাব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ভাৰতৰ ভিতৰত অসমক শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে শোণিতপুৰবাসীক আহ্বান জনায়। দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলাৰ টিংখং, নাহৰকটীয়াৰ উপৰি দুলীয়াজানৰ ঘাঁহী ফুকনবাৰীত আয়োজিত জনসভাত অংশ লয়। তেওঁ বিকাশৰ অনিৰুদ্ধ গতি ত্বৰান্বিত কৰিবলৈ বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ আহ্বান জনায়। এই সভাসমূহত সাংসদ ৰামেশ্বৰ তেলীৰ উপৰি কেইবাগৰাকী বিধায়ক আৰু দলৰ নেতৃবৰ্গ উপস্থিত থাকে। মন্ত্ৰী কেশৱ মহন্তই আজি পুৱাৰ ভাগত ধেমাজিৰ বঙালমাৰী গাঁৱত দক্ষিণ ধেমাজি জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰী অতুল বৰাই আজি চাবুৱাৰ বালিজানত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াই আজি যোৰহাটৰ খঙীয়া, নাওবৈচা, চৰাইবাহীকে ধৰি কেইবাটাও অঞ্চলত প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি ৰঙানদী সমষ্টিৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে যোৰহাট জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

অসম জাতীয় পৰিষদৰ হৈ আজি লুৰীণজ্যোতি গগৈয়ে ধেমাজি জিলাৰ বিষ্ণুপুৰ, লক্ষীপথাৰ, উত্তৰ ধেমাজি, জীয়াঢল আৰু বৰদলনি জিলা পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত প্ৰচাৰ চলায়। তেওঁ খোৱাং সমষ্টিৰ অধীনৰ বিভিন্ন অঞ্চলতো প্ৰচাৰ সভাত অংশ লয়।

ডিব্ৰুগড় জিলাত আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত অসম জাতীয় পৰিষদ দলৰ শতাধিক নেতা-কৰ্মীয়ে অসম গণ পৰিষদ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে।

ইপিনে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচনৰ বাবে প্ৰস্তুতিৰ অন্তিম পৰ্যায়ত উপনীত হৈছে। প্ৰশাসনসমূহে নিৰ্বাচনী বিষয়াৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাত বিভিন্ন নিৰ্বাচনী কাম-কাজত নিয়োজিত এহেজাৰ ২০০গৰাকী কৰ্মচাৰীৰ মাজত ডাক বেলট পেপাৰ বিতৰণ কাৰ্যসূচী আৰম্ভ হৈছে। আজি পাঁচ শতাধিক কৰ্মচাৰীক এই বেলট পেপাৰ বিতৰণ কৰা হয়। ˉ

০০০০০০০

সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰাক আক্ৰমণৰ সন্দৰ্ভত আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। পত্ৰৰ জৰিয়তে দলৰ নেতৃবৃন্দই এই ঘটনাত জড়িতসকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ দাবী জনায়। একেদৰে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি পৰ্যালোচনা কৰিবলৈ দলটোৱে দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি থকাৰ মাজতে কালি নগাঁও জিলাৰ ধিঙৰ ওপৰ ডুমডুমীয়াত সাংসদ

প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৱামণি বৰাৰ ওপৰত একাংশ দুৰ্বৃত্তই আক্ৰমণ সংঘটিত কৰে। দুয়োগৰাকী নেতাই ডুমডুমীয়াৰ শ্লুইছ গে'টত বালিসত্ৰ জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ সভাত অংশ লৈ ধিং অভিমুখে আহি থকা অৱস্থাত এটা ১৫ জনীয়া দুৰ্বৃত্তৰ দলে তেওঁলোকক আক্ৰমণ কৰে। মুখত ক'লা কাপোৰ বান্ধি অহা দলটোৱে সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খানৰ দুখন গাড়ী ভাঙি চূৰমাৰ কৰে। এই আক্ৰমণত সাংসদগৰাকীৰ লগতে মামাই পেগু, কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খান, বিধায়িকা শিৱামণি বৰাৰ লগতে কেইবাজনো দলীয় কৰ্মী আহত হয়। পাছত আটাইকেইগৰাকী শ'লগুৰি উপ-আৰক্ষী চকীত উপস্থিত হৈ বিষয়টো আৰক্ষীক অৱগত কৰে।

০০০০০০০

মহাপুৰুষ দামোদৰ দেৱৰ ৪২৭ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰত ধৰ্মীয় অনুষ্ঠান  অনুষ্ঠিত হৈছে। একাগ্ৰ ভক্তিবাদ বৈদিক তত্ব সৃষ্টিৰে বৈষ্ণৱবাদৰ প্ৰচাৰক মহাপুৰুষজনাৰ তিথি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কোচবিহাৰৰ বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ আদিত হোম-যজ্ঞ, নাম-প্ৰসংগকে ধৰি বিভিন্ন আধ্যাত্মিক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিৰোভাৱ তিথি উপলক্ষে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে মহাপুৰুষজনাৰ আধ্যাত্মিকতা, তত্ব জ্ঞান আৰু সমাজমুখী আদৰ্শ সমাজ জীৱনৰ পথ প্ৰদৰ্শক হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে।

মহাপুৰুষজনাৰ দীক্ষাস্থলী হাজো, বৰপেটাৰ পাটবাউসী, মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে বিভিন্ন সত্ৰত তিথি পালন কৰা হৈছে। মহাপুৰুষজনাৰ আদি সত্ৰ হিচাপে খ্যাত পাটবাউসী সত্ৰত আজি যথেষ্ট সংখ্যক ভক্তৰ সমাগম হয়। অনুগামীসকলৰ উদ্যোগত সত্ৰখনৰ পৰা ধৰ্মীয় শোভাযাত্ৰা উলিওৱাৰ উপৰি নাম-প্ৰসংগও কৰা হয়। মহাপুৰুষজনাৰ তিৰোভাৱ তিথিৰ সৈতে সংগতি ৰাখি  যোৱা ২২ এপ্ৰিলৰ পৰা অনুষ্ঠিত কীৰ্তন মহোৎসৱত আজি যথেষ্ঠ সংখ্যক ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰে। সৰু ল'ৰা-ছোৱালীৰ মাজত খেল-ধেমালি, দিহানাম প্ৰতিযোগিতা আৰু বাৰে-ৰহণীয়া অনুষ্ঠানৰো আয়োজন কৰা হয়।

কামৰূপ জিলাৰ ৰামদিয়াৰ পোৱাভিঠা সত্ৰত আজি  মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগ আৰু লাৰু উৎসৱ পালন কৰা হয়। এই উৎসৱত ৰাজ্যৰ প্ৰায় ১০ হাজাৰ ভক্তই ৭ লাখতকৈও অধিক লাৰু যোগান ধৰে। উল্লেখযোগ্য যে মানৰ আক্ৰমণৰ সময়ৰ পৰাই সত্ৰখনত এই পৰম্পৰা চলি আহিছে। কামৰূপ জিলাৰ শুৱালকুছি, আমৰংগাকে ধৰি অন্যান্য দামোদৰীয় সত্ৰসমূহতো আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়।

গোৱালপাৰা জিলাৰ ভালুকডুবিতো তিনিদিনীয়া কাৰ্যসূচীৰে দামোদৰ দেৱৰ তিথি পালন কৰা হৈছে।

০০০০০০০

**সমাপ্ত**